**অসম চৰকাৰ**

**মহকুমা কল্যাণ বিষয়াৰ কাৰ্য্যালয় ঃ মঙ্গলদৈ**

নং- SWM/SC/61/2019/pt তাৰিখ - ২৮-০৮-২০২০

## জাননী

ইয়াৰ দ্বাৰা মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী লোকৰ পৰা ২০১৯-২০ বৰ্ষৰ নিম্নলিখিত আঁচনি সমূহৰ বাবে আবেদন পত্ৰ বিচৰা হৈছে। আবেদন পত্ৰ মহকুমা কল্যাণ বিষয়াৰ মঙ্গলদৈ কাৰ্য্যালয়ৰ পৰা সংগ্ৰহ কৰি অহা ইং ১৫-০৯-২০২০ তাৰিখৰ ভিতৰত উক্ত কাৰ্য্যালয়ত জমা দিব লাগিব। নিৰ্দ্ধাৰিত তাৰিখৰ পিছত কোনো আবেদন পত্ৰ জমা লোৱা নহ'ব।

*আঁচনি সমূহৰ নাম ঃ*

| অনুসূচীত জাতিৰ লোকৰ বাবে (SC) | অন্যান্য পিছপৰা শ্ৰেণী লোকৰ বাবে (OBC) |
|---|---|
| ১। টাটা টিনপাত ৯০ গৰাকী হিতাধিকাৰীৰ বাবে।<br>২। সৌৰশক্তি চালিত লাইট ৪৩ গৰাকী হিতাধিকাৰীৰ বাবে।<br>৩। চিলাই মেচিন, ফেশ্বন ডিজাইন মেচিন ৯৭ গৰাকী হিতাধিকাৰীৰ বাবে (কেৱল মহিলাৰ বাবে)।<br>৪। খোৱা পানীৰ ফিল্টাৰ ৫২৭ গৰাকী হিতাধিকাৰীৰ বাবে। | ১। টাটা টিনপাত ৪৭৯ গৰাকী হিতাধিকাৰীৰ বাবে।<br>২। চিলাই মেচিন, ফেশ্বন ডিজাইন মেচিন ৬৩ গৰাকী হিতাধিকাৰীৰ বাবে (কেৱল মহিলাৰ বাবে)।<br>৩। খোৱা পানীৰ ফিল্টাৰ ৫৯৬ গৰাকী হিতাধিকাৰীৰ বাবে।<br>৪। কৃষকৰ সা-সৰঞ্জাম ৩১৫ গৰাকী হিতাধিকাৰী।<br>৫। উন্নত জাতৰ পাচলিৰ বীজ ২৫৪ গৰাকী।<br>৬। অনুশীলনী বহী ৩২৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে<br>৭। খেলৰ পোছাক ৯৪৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে। |

*আবেদনৰ লগত সংলগ্ন কৰিবলগীয়া প্ৰয়োজনীয় নথি-পত্ৰ সমূহ -*

ক) আবেদনকাৰীৰ ফটোৰ সৈতে নিজা ঘৰৰ ফটো (টিনপাত আৰু সৌৰশক্তি চালিত লাইটৰ বাবে)
খ) দুকপি পাৰ-পত্ৰ আকাৰৰ ফটো।
গ) জাতিৰ প্ৰমাণ পত্ৰৰ ফটো কপি।
ঘ) ভোটাৰ কাৰ্ডৰ ফটোকপি।
ঙ) কাপোৰ চিলাই আৰু এম্ব্ৰইডাৰী প্ৰশিক্ষণৰ প্ৰমাণ পত্ৰ। (ফেশ্বন ডিজাইন চিলাই মেছিনৰ বাবে)
চ) বি.পি.এল.কাৰ্ডৰ ফটোকপি।
ছ) অনুশীলনী বহী আৰু খেলৰ পোছাকৰ ক্ষেত্ৰত বিদ্যালয়ৰ কৰ্তৃপক্ষই আবেদন কৰিব লাগিব।

উল্লেখ থাকে যে, চৰকাৰী কৰ্মচাৰী, চৰকাৰী পেঞ্চনাৰ, পঞ্চায়ত প্ৰতিনিধি, স্কুল-কলেজত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু যোৱা তিনি বছৰৰ ভিতৰত চৰকাৰী আঁচনি লাভ কৰা লোকৰ আবেদন পত্ৰ গ্ৰহণযোগ্য বুলি বিবেচনা কৰা নহ'ব।

মহকুমা কল্যাণ বিষয়া
মঙ্গলদৈ

স্মাৰক নং - SWM/SC/61/2019/pt/২০০-০৯ তাৰিখ ২৮-০৮-২০২০

*ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল ঃ-*

১। উপায়ুক্ত, দৰং মঙ্গলদৈ।
২। চক্ৰ বিষয়া, মঙ্গলদৈ, ছিপাঝাৰ, পাথৰিঘাট, দলগাঁও।
৩। বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়া, দৰং।
৪। জিলা তথ্য আৰু জনসংযোগ বিষয়া, দৰং মঙ্গলদৈ প্ৰচাৰৰ বাবে অনুৰোধ জনোৱা হ'ল। (FLS)
৫। N.I.C. দৰং মঙ্গলদৈ, জিলাৰ Website ত Upload কৰিবৰ বাবে অনুৰোধ জনোৱা হ'ল।
৬। জাননী ফলক।
৭। কাৰ্য্যালয় নথিবহী।

মহকুমা কল্যাণ বিষয়া
মঙ্গলদৈ